**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-APR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

বাৰিষাৰ সময়ছোৱাত গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে সন্মুখীন হোৱা সমস্যা সমাধানৰ লক্ষ্যৰে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে বতৰ বিজ্ঞান কেন্দ্ৰই পৰৱৰ্তী দুই-তিনিদিনত গুৱাহাটীৰ ঠাই বিশেষে বিজুলী ঢেৰেকণিৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা মতে এই সময়ছোৱাত ধুমুহা বতাহৰ লগতে ৭ৰ পৰা ২০ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু পৌৰ কৰ্তৃপক্ষই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু জৰুৰীকালীন ব্যৱস্থা সক্ৰিয় কৰি তুলিছে।

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবী কোটাই কালি গুৱাহাটীৰ সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। তেওঁ মহানগৰীখনৰ বান ব্যৱস্থাপনা, নলা নৰ্দমাৰ পানী নিষ্কাষণ আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বৈঠকত নলাসমূহৰ পৰা বোকা আঁতৰ কৰা, পাম্পিং ব্যৱস্থাসমূহ সক্ৰিয় কৰা, মেনহল আৰু নলাসমূহ ঢাকি ৰখাৰ লগতে বিপদসংকুল স্থানসমূহত বেৰিকেদ লগোৱাৰ নিৰ্দেশ দিয়া হয়। উল্লেখযোগ্য যে মহানগৰীৰ কমেও ৩০০ টা স্থান ভূমিস্খলনপ্ৰবন অঞ্চল হিচাপে চিনাক্ত কৰি চোকা দৃষ্টি ৰখা হৈছে। বৰষুণৰ সময়ত জনসাধাৰণক সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

ইপিনে, কালি যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তত নলা নৰ্দমা পৰিষ্কাৰকৰণ অভিযান চলোৱা হয়। জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ সমন্বয়ত টিয়ক, তিতাবৰ, যোৰহাট পৌৰ সভা আৰু গাওঁ পঞ্চায়ত সংলগ্ন এলেকাসমূহত এই অভিযান চলোৱা হয়। কালি যোৰহাট পৌৰ সভাই টোকলাইৰ ৪ টা কালভাৰ্টত জমা হৈ থকা আৱৰ্জনাসমূহ পৰিষ্কাৰ কৰা হয়। এই অভিযানৰ ফলত সমাগত বাৰিষাৰ সময়ত ৰাইজে সকাহ পাব বুলি আশা কৰা হৈছে।

০০০০০০

অৰ্থনীতিবিদ অশোক কুমাৰ লাহিড়ীক আয়োগৰ উপাধ্যক্ষ হিচাপে লৈ চৰকাৰে নীতি আয়োগ পুনৰ গঠন কৰিছে। শ্ৰী লাহিড়ী বৰ্তমানৰ উপাধ্যক্ষ সুমন কে বেৰীৰ স্থলাভিষিক্ত হ'ব। চৰকাৰে শ্ৰী লাহিড়ীৰ লগতে ৰাজীৱ গৌবা, প্ৰফেছৰ কে ভি ৰাজু, প্ৰফেছৰ গোবৰ্ধন দাস, ড০ এম শ্ৰীনিবাস আৰু প্ৰফেছৰ অভয় কৰান্দিকাৰক নীতি আয়োগৰ পূৰ্ণকালীন সদস্য হিচাপে নিযুক্তি দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সামাজিক মাধ্যমযোগে কয়, যে নীতি আয়োগ দেশৰ নীতি প্ৰণয়ৰ পৰিকাঠামোৰ গুৰুত্বপূৰ্ণ স্তম্ভৰূপে পৰিগণিত হৈছে। ইয়াৰ জৰিয়তে সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদ শক্তিশালী হৈছে, সংস্কাৰ ব্যৱস্থাই গতি লাভ কৰিছে আৰু জীৱন ধাৰণ সূচল হৈ পৰিছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে নীতি আয়োগে বিভিন্ন ক্ষেত্ৰত উদ্ভাৱন আৰু দীৰ্ঘকালীন কৌশলগত চিন্তাধাৰাৰ প্ৰগতিশীল মঞ্চৰূপে কাম কৰি আহিছে।

নীতি আয়োগৰ নতুন উপাধ্যক্ষ অশোক কুমাৰ লাহিড়ীয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে। বৈঠকত শ্ৰী মোদীয়ে লাহিড়ীক উপাধ্যক্ষ হিচাপে নিযুক্তিৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে অৰ্থনীতি আৰু ৰাজহুৱা নীতিৰ ক্ষেত্ৰত শ্ৰী লাহিড়ীৰ চহকী অভিজ্ঞতাই দেশৰ সংস্কাৰ আৰু বিকশিত ভাৰতমুখী যাত্ৰাক শক্তিশালী কৰিব। শ্ৰী মোদীয়ে লগতে অৰ্থনীতিবিদগৰাকীৰ প্ৰচেষ্টাই দেশত নীতি প্ৰণয়ন প্ৰক্ৰিয়াত নতুন গতি প্ৰদান কৰিব বুলি আস্থা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে নীতি আয়োগৰ নৱ নিযুক্ত পূৰ্ণকালীন সদস্যসকলকো শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০

ধেমাজি জিলাত কালি চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হয়। অকাজান জনজাতি ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই বৈঠকত বিদ্যালয়সমূহৰ পৰিদৰ্শক উপস্থিত থাকে। এই বৈঠকত জিলাখনৰ ৩০ শতাংশতকৈ কম নম্বৰ প্ৰাপ্ত বিষয়ৰ শিক্ষকসকলক আৰু ৩০ শতাংশ কম ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱা বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলক জবাবদিহি কৰা হয়। ধেমাজি জিলা অধিবিদ্যা পৰিষদৰ উদ্যোগত অনুষ্ঠিত সভাখনত উপস্থিত শিক্ষক-শিক্ষয়িত্ৰীসকলক বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈয়ে ফলাফল নিম্ন হোৱাৰ কাৰণ আৰু বিগত বৰ্ষত শিক্ষকসকলে উন্নত ফলাফলৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে সবিশেষ তথ্য বিচাৰে। এই বৈঠকত ৫৪ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বিদ্যালয়ৰ নিম্ন ফলাফলৰ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰে। সভাত অসম ৰাজ্যিক অধিবিদ্যা পৰিষদৰ সম্পাদক খগেন পেগু, ধেমাজি জিলাৰ কাৰ্যকৰী সভাপতি মিলন গোহাঁই, জিলা আঁচনি বিষয়া পংকজ বৰাকে ধৰি ভালেমান লোক উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**